# ৰাষ্ট্ৰীয় বিজ্ঞানমনস্কতা দিৱস ঃ ২০ আগষ্ট, ২০২১
## National Scientific Temper Day : 20 August, 2021
## সৰ্বভাৰত জনবিজ্ঞান নেটৱৰ্ক, অসম
## All India People's Science Network, Assam

---

### ক'ভিডৰ বিৰুদ্ধে যুঁজিবলৈ আমি বিজ্ঞানমনস্ক হ'ব লাগিব।
### জ্যোতিষ-শাস্ত্ৰ চৰ্চাৰ চৰকাৰী পৃষ্ঠপোষকতা বন্ধ কৰক।

মানৱজাতিৰ সৰ্বাংগীণ বিকাশ তথা মানৱ সভ্যতাৰ উত্তৰণৰ ক্ষেত্ৰত বিজ্ঞান আৰু প্ৰযুক্তিৰ অৱদান অনস্বীকাৰ্য। এই অৱদানৰ মূল ভেটি হ'ল বৈজ্ঞানিক মানসিকতা। কিন্তু আনুষ্ঠানিক বিজ্ঞান শিক্ষা বা বিজ্ঞান-প্ৰযুক্তিবিদ্যাৰ অধ্যয়ন-গৱেষণা আদিৰ লগত জড়িত বহুলোকৰো বৈজ্ঞানিক মানসিকতাৰ অভাৱ। কিয় এনে হয় সেইটো এক সুকীয়া আলোচ্য বিষয়। দৰাচলতে বিজ্ঞান, কলা অথবা বাণিজ্য— আধুনিক যিকোনো শিক্ষাৰে দীক্ষিত সকলো ব্যক্তিৰেই বৈজ্ঞানিক মানসিকতা থকা উচিত। আমাৰ সমাজত এনে নোহোৱাৰ কাৰণ হ'ল- আমাৰ শিক্ষা ব্যৱস্থাত আধুনিকতাৰ সৈতে বহু ক্ষয়িষ্ণু তথা ভ্ৰান্ত বিশ্বাস, পৌৰাণিক আৰু সামন্তীয় উপাদানৰ সহাৱস্থানো চলি আছে।

বৈজ্ঞানিক মানসিকতা হ'ল এক প্ৰকাৰৰ মানসিক দৃষ্টিভংগী। যুক্তিপূৰ্ণ বিচাৰ-বিশ্লেষণ, অন্তহীন জিজ্ঞাসা, পৰীক্ষালব্ধ তথা প্ৰমাণসিদ্ধ তথ্যৰ ভিত্তিত জ্ঞান অৰ্জনৰ হাবিয়াস, পূৰ্ব নিৰ্ধাৰিত বা 'প্ৰতিষ্ঠিত' কোনো 'চৰম' সত্যক বিনা প্ৰশ্নেৰে গ্ৰহণ কৰাৰ সলনি বৈজ্ঞানিক পৰীক্ষা-নিৰীক্ষা আৰু বিশ্লেষণৰ জৰিয়তে সত্য অন্বেষণৰ স্পৃহাই হল বৈজ্ঞানিক মানসিকতা। ভাৰতীয় সংবিধানৰ ৫১নং অনুচ্ছেদৰ এ (এইছ)নং দফাত সন্নিৱিষ্ট প্ৰতিজন নাগৰিকৰ কৰ্তব্য হ'ল— 'বৈজ্ঞানিক মানসিকতা আৰু মানৱতাবাদ, অনুসন্ধিৎসা আৰু সংস্কাৰৰ বাবে স্পৃহাৰ বিকাশ সাধন।'

ইন্দিৰা গান্ধী জাতীয় মুক্ত বিশ্ববিদ্যালয় (IGNOU)ৰ অধীনত চলিত শিক্ষাবৰ্ষৰ পৰাই স্নাতকোত্তৰ পৰ্যায়ত জ্যোতিষ-শাস্ত্ৰ (Astrology)ৰ পাঠ্যক্ৰম আৰম্ভ কৰাত আমি অল ইণ্ডিয়া পিপ'লছ চায়েন্স নেটৱৰ্ক (AIPSN)ৰ অন্তৰ্ভুক্ত সংগঠনসমূহে গভীৰ উদ্বেগ প্ৰকাশ কৰিছোঁ। আমি ক্ষোভেৰে লক্ষ্য কৰিছোঁ যে কেইখনমান ৰাজহুৱা খণ্ডৰ বিশ্ববিদ্যালয়তো এনে ধৰণৰ পাঠ্যক্ৰম আৰম্ভ কৰা হৈছে। ৰাষ্ট্ৰীয় শিক্ষা নীতি- ২০২০ৰ মতে ভাৰতৰ শিক্ষা ব্যৱস্থাৰ সকলো স্তৰতেই "ভাৰতীয় জ্ঞান-চৰ্চা (Indian Knowledge System) বিষয়ক পাঠ্যক্ৰম অন্তৰ্ভুক্ত কৰিব লগা হেতুকেই তেনেবোৰ বিষয়ৰ পাঠ্যক্ৰম আৰম্ভ কৰা হৈছে বুলি সংশ্লিষ্ট বিশ্ববিদ্যালয় কৰ্তৃপক্ষই যুক্তি প্ৰদৰ্শন কৰিছে।

জ্যোতিৰ্বিজ্ঞান (Astronomy), গণিত, ধাতু বিষয়ক চৰ্চা আৰু দৰ্শন শাস্ত্ৰ আদিৰ চৰ্চাৰ ক্ষেত্ৰত ভাৰতৰ এটা গৌৰৱময় ঐতিহ্য আৰু পৰম্পৰা আছে। আধুনিক বিজ্ঞানৰ বৃহৎ বট-বৃক্ষ ডালত প্ৰাচীন সভ্যতাসমূহে বিভিন্ন সময়ত বেলেগ বেলেগ ধৰণে সাৰ-পানী দিছিল। আমাৰ সামূহিক জ্ঞানৰ ভড়াললৈ ভাৰতীয় সভ্যতাইও নিঃসন্দেহে কিছুমান গুৰুত্বপূৰ্ণ বৰঙনি আগবঢ়াইছে আৰু তেনে অৱদানসমূহে জ্ঞান-বিজ্ঞানৰ জগতত এক বিশেষ স্থান অধিকাৰ কৰি আছে।

কিন্তু অতীত ভাৰতবৰ্ষত বিজ্ঞান আৰু প্ৰযুক্তিৰ সাংঘাতিক কিছুমান আৱিষ্কাৰৰ (যেনে প্ৰাচীন কালত ভাৰতত মানুহে আকাশত উৰিব পাৰিছিল ইত্যাদি) প্ৰমাণ হিচাপে প্ৰাচীন গ্ৰন্থ, মহাকাব্য আদিৰ কাহিনী বা কল্পকথা বিলাকৰ উদাহৰণ ডাঙি ধৰাটো হাস্যকৰ। একেদৰে গ্ৰহ-উপগ্ৰহৰ অৱস্থানে মানুহৰ ভৱিষ্যৎ নিয়ন্ত্ৰণ কৰা ইত্যাদি ধৰণৰ যিবোৰ অবৈজ্ঞানিক আলোচনা জ্যোতিষ-শাস্ত্ৰত আছে তেনেবোৰ কথাক মান্যতা প্ৰদান কৰাৰ প্ৰচেষ্টাই বিজ্ঞান চৰ্চাৰ প্ৰকৃত আৰু শক্তিশালী ভাৰতীয় ধাৰাটোৰ যথেষ্ট ক্ষতিহে কৰিব। বিজ্ঞানৰ প্ৰকৃত ইতিহাস অধ্যয়ন কৰাৰ কাৰণে ব্যৱহাৰ কৰিব পৰা প্ৰতিটো মুহূৰ্ত ছাত্ৰ-ছাত্ৰীসকলে দেখদেখকৈ অসত্য কথা কিছুমান শিকাৰ কাৰণে অবাবত নষ্ট কৰিব।

জ্যোতিষৰ গণনাই ভৱিষ্যতবাণী কৰা কথাবিলাক পৰিসংখ্যা বিজ্ঞানৰ পৰীক্ষাসমূহেও ভিত্তিহীন বুলি প্ৰমাণ কৰিছে। মানৱ দেহৰ ওপৰত গ্ৰহ-নক্ষত্ৰ সমূহৰ অৱস্থানৰ প্ৰভাৱ আছে বুলি থকা বিশ্বাসৰো কোনো বৈজ্ঞানিক ভিত্তি নাই। জন্মকুণ্ডলীৰ ওপৰত নিৰ্ভৰ কৰি গ্ৰহ-নক্ষত্ৰসমূহে মানুহৰ ওপৰত বেলেগ বেলেগ ধৰণে ক্ৰিয়া কৰে বুলি থকা জ্যোতিষ-শাস্ত্ৰৰ মূল নীতিটো ভিত্তিহীন বুলি সাধাৰণ যুক্তিৰেও সহজে বুজিব পাৰি। এনেকুৱা এটা অযৌক্তিক, অবৈজ্ঞানিক আৰু অপ্ৰমাণিত বিষয় IGNOUৰ পাঠ্যক্ৰমত অন্তৰ্ভুক্ত কৰাৰ মাজেৰে চৰকাৰে অন্ধবিশ্বাস আৰু অবৈজ্ঞানিক চিন্তাকহে উৎসাহিত কৰিছে। ইয়াৰ উপৰি ভাৰতীয়

*সিপিঠিত...*

সংবিধানৰ ৫১নং অনুচ্ছেদৰ এ (এইছ) দফা অনুযায়ী নিজকে বিজ্ঞানমনস্ক কৰি তুলিবলৈ যত্ন কৰাটো প্ৰতিজন ভাৰতীয় নাগৰিকৰেই এক মৌলিক কৰ্তব্য। কিন্তু জ্যোতিষ-শাস্ত্ৰক স্নাতকোত্তৰ পাঠ্যক্ৰমত অন্তৰ্ভুক্তিৰ জৰিয়তে IGNOU এ সংবিধানৰ এই ধাৰাটোৰ বিপৰীতে খোজ পেলাইছে। বিজ্ঞানমনস্কতাৰ প্ৰসাৰক অন্যতম গুৰুত্বপূৰ্ণ কৰ্তব্য বুলি বিবেচনা কৰা আমি সকলোৱে অপবিজ্ঞানক উৎসাহিত কৰা সকলো ধৰণৰ চৰকাৰী প্ৰচেষ্টাৰ বিৰোধিতা কৰিব লাগিব।

আমি গভীৰ উদ্বেগেৰে লক্ষ্য কৰিছোঁ যে কেন্দ্ৰীয় চৰকাৰ আৰু কেইখনমান ৰাজ্য চৰকাৰে ভুৱা তথ্য আৰু বিজ্ঞানৰ ছদ্মবেশেৰে অহা অবৈজ্ঞানিক বা ছদ্মবৈজ্ঞানিক ধাৰণা (pseudoscientific ideas) কিছুমানৰ প্ৰচাৰকো উৎসাহিত কৰিছে। চৰকাৰৰ এনে কিছুমান দায়িত্বহীন সিদ্ধান্তৰ ফলত এহাতে ক'ভিডৰ সংক্ৰমণ বৃদ্ধি পাইছে আৰু আনহাতে ক'ভিড সংক্ৰমণ প্ৰতিৰোধৰ কাৰণে বিজ্ঞানসন্মত নীতিৰ আধাৰত প্ৰয়োজনীয় সঠিক পৰিকল্পনা গ্ৰহণৰ বিষয়টো যথেষ্ট অৱহেলিত হৈছে। বৈজ্ঞানিক মানসিকতাৰ অবিহনে ক'ভিডৰ সৈতে যুঁজিব পৰা নাযায়। বেছি সংখ্যক ৰাজ্যতেই আজি ৰাজহুৱা চিকিৎসা ব্যৱস্থা সাংঘাতিকভাৱে অৱহেলিত। কেৱল ব্যৱসায়িক লাভৰ উদ্দ্যেশ্যেৰে গঢ়ি উঠা ব্যক্তিগত খণ্ডৰ চিকিৎসা ব্যৱস্থাটোক চৰকাৰে উৎসাহিত কৰি আছে। ক'ভিডৰ বিৰুদ্ধে বিজ্ঞানসন্মতভাৱে যুঁজিবলৈ হ'লে এই চৰকাৰী নীতি সলনি কৰিব লাগিব। ক'ভিড-বিৰোধী যুঁজ সফল কৰিবলৈ হ'লে কম সময়ৰ ভিতৰত বহু মানুহক ভেকচিন প্ৰদান কৰাৰ কাৰ্যকৰী ব্যৱস্থা এটাৰ প্ৰয়োজন। দেশত সকলো নাগৰিককেই ক্ষিপ্ৰতাৰে বিনামূলীয়া ভেকচিন প্ৰদান নিশ্চিত কৰিব লাগিব। ইয়াৰ কাৰণে সঠিক আৰু শুদ্ধ তথ্যৰ আধাৰত পৰিকল্পনা গ্ৰহণ কৰিব লাগিব। বৰ্তমান সময়ত কেন্দ্ৰীয় চৰকাৰ আৰু কেইখনমান ৰাজ্য চৰকাৰে বিপুল পৰিমাণৰ ৰাজহুৱা ধনৰ অপচয় কৰি বিনামূলীয়া ভেকচিনৰ বিজ্ঞাপনৰ জৰিয়তে নিজৰ প্ৰচাৰত ব্যস্ত হৈ পৰা দেখা গৈছে। কিন্তু কাৰ্যক্ষেত্ৰত ভেকচিনৰ যোগান একেবাৰেই আশানুৰূপ নহয় আৰু অক্সিজেনৰ যোগানো পৰ্যাপ্ত নহয়। আনকি বহু ঠাইত ক'ভিডত মৃত্যু হোৱা মানুহৰ দেহ সৎকাৰ কৰাৰো কোনো ব্যৱস্থা নাই। বিভিন্ন ঠাইৰ ক'ভিড পৰিস্থিতিৰ প্ৰকৃত ছবিখন মানুহৰ মাজত সততাৰে তুলি ধৰিবলৈ চেষ্টা কৰা সংবাদ মাধ্যম বা তেনে ধৰণৰ সংগঠনসমূহক চৰকাৰী যন্ত্ৰৰ অপব্যৱহাৰ কৰি নিশ্চুপ কৰিবলৈ হেচাঁ প্ৰয়োগ কৰা হৈছে। এনেবোৰ সংগঠন চৰকাৰ নিয়ন্ত্ৰিত সংস্থা সমূহৰ পৰিকল্পিত আক্ৰমণৰ লক্ষ্য হৈ পৰিছে। এনেদৰে চৰকাৰে নিজেই ভুৱা তথ্য প্ৰচাৰ কৰিছে আৰু প্ৰকৃত সত্য গাপ দিবলৈ চেষ্টা কৰিছে।

আমি সদৌ ভাৰত জনবিজ্ঞান নেটৱৰ্কৰ সদস্য আৰু উদ্বিগ্ন নাগৰিকসকলে দাবী কৰোঁ যে গ্ৰহ-নক্ষত্ৰৰ অৱস্থান চাই মানুহৰ ভাগ্য নিৰ্ণয় কৰা ধৰণৰ অন্ধবিশ্বাস আৰু অবৈজ্ঞানিক ধাৰণাৰ ওপৰত ভিত্তি কৰি গঢ়ি উঠা বিষয় সকলো ৰাজহুৱা খণ্ডৰ বিশ্ববিদ্যালয়ৰ পাঠ্যক্ৰমৰ পৰা আঁতৰাব লাগে। ইয়াৰ সলনি সকলো ভাৰতীয় বিশ্ববিদ্যালয়ৰ পাঠ্যক্ৰমত জ্যোতিৰ্বিজ্ঞান (Astronomy)ৰ বিষয়টো অন্তৰ্ভুক্ত কৰিব লাগে।

আমি দাবী কৰোঁ যে স্বাস্থ্য খণ্ডত ব্যক্তিগত ব্যৱসায়ক উৎসাহ যোগোৱা চৰকাৰী নীতি পৰিৱৰ্তন কৰিব লাগে আৰু বিজ্ঞানসন্মত ৰাজহুৱা ব্যৱস্থাৰ যোগেদি উচ্চ মানৰ চিকিৎসা সেৱা লাভ কৰাটো সকলো মানুহৰ এক অধিকাৰ হিচাপে নিশ্চিত কৰিব লাগে।

সদৌ ভাৰত জনবিজ্ঞান নেটৱৰ্কে ২০১৮ চনৰ পৰা প্ৰতিবছৰে ২০ আগষ্টৰ দিনটো **'ৰাষ্ট্ৰীয় বিজ্ঞানমনস্কতা দিৱস'** হিচাপে পালন কৰি আহিছে। এই দিনটোতে ২০১৩ চনত অন্ধবিশ্বাসৰ বিৰুদ্ধে অবিৰত সংগ্ৰাম কৰা ডাঃ নৰেন্দ্ৰ ডাভোলকাৰক পুনেত আততায়ীয়ে হত্যা কৰিছিল। এই সংকটপূৰ্ণ সময়ত জনসাধাৰণৰ মাজত বিজ্ঞানমনস্কতাৰ প্ৰসাৰক উৎসাহিত কৰাৰ কাৰণে আৰু নৰেন্দ্ৰ ডাভোলকাৰ, গোবিন্দ পানচাৰে, এম এম কালবুৰ্গী, গৌৰী লংকেশ আদিৰ হত্যাৰ প্ৰতিবাদত অহা ২০ আগষ্টত 'ৰাষ্ট্ৰীয় বিজ্ঞানমনস্কতা দিৱস'ত অংশগ্ৰহণ কৰিবলৈ আমি সকলো নাগৰিক, গণ সংগঠন আৰু ছাত্ৰ-ছাত্ৰী, যুৱক-যুৱতীৰ প্ৰতি আহ্বান জনালো। বিজ্ঞানমনস্কতা দিৱস উদ্‌যাপনৰ উদ্দেশ্যই হ'ল অন্ধবিশ্বাসৰ বিৰুদ্ধে সংগ্ৰাম অব্যাহত ৰখা।

আমাৰ ৰাজ্যখনতো সদৌ ভাৰত জনবিজ্ঞান নেটৱৰ্কৰ অসম শাখাৰ উদ্যোগত বিভিন্ন সংগঠন, অনুষ্ঠান-প্ৰতিষ্ঠানে যৌথভাৱে সভা-সমিতি অনুষ্ঠিত কৰা, প্ৰচাৰপত্ৰ বিতৰণ, প্লে-কাৰ্ড প্ৰদৰ্শন আদিৰ মাজেৰে ক'ভিড প্ৰট'কল তথা স্বাস্থ্যবিধিসমূহ অনুসৰণ কৰি অহা ২০ আগষ্ট, ২০২১ৰ দিৱসটো পালন কৰাৰ পৰিকল্পনা গ্ৰহণ কৰা হৈছে। ইয়াক সফল কৰাৰ বাবে আমি সকলোৰে প্ৰতি আহ্বান জনালোঁ।

সদৌ ভাৰত জন বিজ্ঞান নেটৱৰ্ক, অসমৰ সম্পাদকৰ দ্বাৰা প্ৰকাশিত আৰু প্ৰচাৰিত; ইলোৰা অফ্‌চেট, গুৱাহাটী-৩ত মুদ্ৰিত।

*গুৱাহাটী, ১০ আগষ্ট, ২০২১*